স্নাতক দ্বিতীয় ষাণ্মাসিক অসমীয়া (সন্মান) আৰু স্নাতক ষষ্ঠ ষাণ্মাসিক অসমীয়া (প্ৰধান) পাঠ্যক্ৰমৰ ছাত্ৰ ছাত্ৰীসকলৰ এটি পাঠ্য বিষয় হৈছে শব্দাৰ্থ বিজ্ঞান। শব্দাৰ্থ বিজ্ঞান বা তত্ত্ব সম্পৰ্কে এটি টোকা দিয়া হল।

তুলিকা গোস্বামী
অতিথি অধ্যাপিকা, অসমীয়া বিভাগ
২৮।০৪।২০২০



ভাষা-বিজ্ঞানৰ এটা উল্লেখযোগ্য স্তৰ হ'ল — অৰ্থতত্ত্ব। ভাষাতত্ত্বৰ আলোচনাত অৰ্থৰ আলোচনাৰ দিশটোও অপৰিহাৰ্য। ইংৰাজীত অৰ্থতত্ত্বৰ প্ৰতিশব্দ হিচাপে 'Semantics' শব্দটি ব্যৱহাৰ হয়। ইয়াৰ মূল হৈছে গ্ৰীক ভাষাৰ 'Semaino' শব্দটি। ইয়াৰ অৰ্থই হৈছে ভাষাৰ আত্মা। অৰ্থ অবিহনে ভাষাৰ কোনো মূল্য নাই। অৰ্থ সম্বন্ধে প্ৰাচীন কালৰে পৰাই বিভিন্ন আলোচনা চলি আহিছে। শব্দ একোটাই নিৰ্দিষ্ট সময় বিশেষত আহৰণ কৰা অৰ্থ চিৰকাল বৰ্তি নাথাকিবও পাৰে। শব্দৰ মৃত্যু ঘটিব পাৰে। অকৌ নতুন শব্দৰ জন্ম হ'ব পাৰে অথবা প্ৰচলিত শব্দৰ অৰ্থৰ পৰিবৰ্তন ঘটিবও পাৰে। অৰ্থতত্ত্বত শব্দৰ অৰ্থ, অৰ্থ পৰিবৰ্তনৰ ধাৰা, অৰ্থ পৰিবৰ্তনৰ কাৰণ, শব্দৰ মৃত্যু, নতুন শব্দৰ জন্ম তাৰ কাৰণ — এই আটাইবোৰ দিশৰ আলোচনা কৰা হয়।

আমি মুখেৰে কিছুমান ধ্বনিৰ উচ্চাৰণ কৰোঁ, সেই ধ্বনিৰ পৰা একোটা শব্দৰ সৃষ্টি হয় আৰু সেই শব্দৰ অৰ্থ থাকে। এই অৰ্থপূৰ্ণ শব্দই একোটা বাক্যৰ সৃষ্টি কৰে। বাক্যৰ দ্বাৰাই মানুহে ভাবৰ আদান-প্ৰদান কৰে। প্ৰাচীন কালৰে পৰা বিশেষকৈ বৈদিক যুগৰ পৰা শব্দৰ অৰ্থৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। নিৰুক্ত শাস্ত্ৰৰ উদ্ভাৱক ব্যাকৰণ ৰচক যাস্ক, কাত্যায়ন, পতঞ্জলি, পাণিনি আদিয়েও শব্দৰ অৰ্থৰ আলোচনা কৰিছিল। পাশ্চাত্যৰ গ্ৰীচদেশত সৰ্বপ্ৰথম ভাষা-চিন্তাৰ আৰম্ভণি হৈছিল। দাৰ্শনিক প্লেটো আছিল ভাষা চিন্তা কৰা প্ৰথমজন ব্যক্তি। প্লেটোৱে তেওঁৰ 'Cratylus' গ্ৰন্থত শব্দ আৰু অৰ্থৰ নানা কথা আলোচনা কৰিছে। তেওঁৰ মতে ধ্বনিৰ অনুকৰণত শব্দৰ সৃষ্টি হয় আৰু প্ৰত্যেকটো শব্দৰ একোটা নিজা অৰ্থ আছে। তাৰ পিছত ভাষা-বিজ্ঞানী চ্যচুৰে অৰ্থৰ বিষয়ে আলোচনা কৰি কৈছে যে উচ্চাৰণ কৰা শব্দৰ সম্বন্ধৰ মূল ভেটি হৈছে অৰ্থ। তেওঁ ভাষাক চিহ্নৰ প্ৰণালী বুলি কৈছে। 'ম+আ+ন+উ+হ' এই ধ্বনিকেইটাই গঢ়ি তোলা 'মানুহ' শব্দটো চিহ্ন। ইয়াৰ দ্বাৰা 'মানুহ' শব্দই শ্ৰোতাক পূৰ্বধাৰণা অনুসৰি এটা অৰ্থবোধক ইংগিত দিব। পঞ্চাশৰ দশকত ভাষা-বিজ্ঞানীসকলে ভাষাৰ গাঁথনিক বিশ্লেষণৰ আধাৰত অৰ্থ সম্পৰ্কে নতুন চিন্তাধাৰাৰ সূচনা কৰিলে। বক্তাই কি কৈছে, কিহৰ কাৰণে কৈছে, কি পৰিৱেশত কেনে ধৰণৰ শব্দৰ প্ৰয়োগ কৰিছে — এই আটাইবোৰ নিৰীক্ষণ কৰিহে প্ৰকৃত অৰ্থ নিৰূপণ কৰিব পাৰি। উদাহৰণস্বৰূপে, অসমীয়া ভাষাত 'মূৰ' শব্দটোৱে পৰিৱেশ ভেদে ভিন ভিন অৰ্থ প্ৰকাশ কৰে। যেনে— মোৰ মূৰ কামুৰিছে, সি মূৰত উঠিল, মোৰ মূৰটো খালে, তাৰ কথাত মূৰ ঘমাই লাভ

নাই, ফিটাডালৰ মূৰত ধৰা। ইয়াৰে প্ৰথম বাক্যটোৰ 'মূৰ' শব্দটোৱে শৰীৰৰ অংশক বুজাইছে। দ্বিতীয় বাক্যটোত 'অতপালি' বুজাইছে; তৃতীয় বাক্যত 'সৰ্বনাশ' বুজাইছে; চতুৰ্থ বাক্যত 'চিন্তা' বুজাইছে আৰু পঞ্চম বাক্যটোত ফিটাডালৰ এটা দিশৰ শেষ অংশক বুজাইছে। পঞ্চাশ আৰু ষাঠিৰ দশকৰ মাজভাগত নোৱম চমস্কিয়ে তেওঁৰ তত্ত্ব ৰূপান্তৰ সৃজনাত্মক ব্যাকৰণত একেটা শব্দৰে বেলেগ বেলেগ অৰ্থ প্ৰকাশ কৰিব পৰা দিশৰ উন্মোচন কৰিলে।

অৰ্থৰ পৰিৱৰ্তনৰ তিনিটা ধাৰা পোৱা যায়। সেইকেইটা হ'ল— অৰ্থ-সংকোচন, অৰ্থ-বিস্তাৰ আৰু অৰ্থ-সংশ্লেষ।

- **অৰ্থ-সংকোচন** ঃ ব্যাপক অৰ্থত ব্যৱহৃত শব্দ একোটা যেতিয়া সীমিত অৰ্থত ব্যৱহৃত হয় তেতিয়া তাক অৰ্থ-সংকোচন বোলে। যেনে— সংস্কৃতত 'মৃগ' মানে জন্তু, প্ৰাচীন অসমীয়াতো মৃগয়া মানে চিকাৰ আধুনিক অসমীয়াত মৃগ মানে হৰিণা। 'গো' শব্দৰ অৰ্থ আছিল বেদ, পিছত ই গৰুক বুজোৱা হ'ল। সেইদৰে 'ভাৰ্য্যা' শব্দৰ অৰ্থ আছিল যাক ভৰণ-পোষণ দিয়া হয়। আধুনিক ভাষাত ই পৰিবাৰক বুজায়। ইংৰাজী 'Meat' শব্দৰ অৰ্থ আছিল 'আহাৰ' কিন্তু পিছত ই 'মাংস' শব্দকহে বুজাবলৈ লয়। সেইদৰে 'Deer' শব্দটোৰ অৰ্থ প্ৰথমতে 'সকলোবিধ জন্তু' আছিল; এতিয়া ই হৰিণাকহে বুজায়। সংস্কৃত 'কৰ্ম' শব্দৰ পৰা ওলোৱা 'কাম' শব্দই অসমীয়াত 'কাম' আৰু শ্ৰাদ্ধ-কৰ্মাদি বুজায়। এনেদৰে বিভিন্ন ভাষাত অৰ্থ সংকোচন ঘটে।
- **অৰ্থ-বিস্তাৰঃ** অৰ্থ-সংকোচনৰ সম্পূৰ্ণ বিপৰীত হ'ল অৰ্থ-বিস্তাৰ। সীমিত অৰ্থ বুজোৱা শব্দই ব্যাপক অৰ্থ বুজাবলৈ ল'লে কোৱা হয় অৰ্থ-বিস্তাৰ ঘটিছে। যেনে— সংস্কৃতত 'তৈল' শব্দৰ অৰ্থ আছিল 'তিলৰ পৰা ওলোৱা ৰস'। বৰ্তমান ই সঁৰিয়হ, তিচি, বাদাম, নাৰিকল আদি যি কোনো বস্তুৰ পৰা ওলোৱা ৰসক বুজায়। মাছৰ তেল, তেল কঢ়া, তেল মৰা আদি 'তেল' শব্দৰ অৰ্থ-বিস্তাৰৰ উদাহৰণ। প্ৰাচীন ইংৰাজীত 'Man' শব্দই কেৱল 'গিৰিয়েক' বুজাইছিল পিছলৈ ই 'মানুহ' বুজাবলৈ ল'লে। 'চকু' শব্দই জীৱই চাবলৈ ব্যৱহাৰ কৰা শৰীৰৰ এটা অংগক বুজায়। কিন্তু ইয়াৰ অৰ্থ সম্প্ৰসাৰিত হৈ বাঁহৰ চকু, ফেঁহাৰ চকু, কাঠৰ চকু ইত্যাদি বুজাবলৈ ল'লে। সেইদৰে 'মণি' শব্দই মানুহে পিন্ধা অলংকাৰ বিশেষক বুজাইছিলে। পিছত ই মণি-মুকুতা, চকুৰ মণি, মাছৰ মণি আদিকো সামৰি ল'লে।
- **অৰ্থ-সংশ্লেষঃ** অৰ্থৰ বিস্তাৰ অথবা সংকোচনৰ ফলত বহু সময়ত প্ৰথমে বুজোৱা অৰ্থৰ লোপ হৈ শব্দটিৰ যি অৰ্থ মুখ্য হৈ উঠে, তাৰ সৈতে শব্দটিৰ প্ৰথম অৰ্থৰ কেতিয়াবা কেতিয়াবা কোনো সম্পৰ্ক নাথাকে। এয়াই অৰ্থ-সংশ্লেষ। ইয়াৰ দুটা মন কৰিবলগীয়া কথা হ'ল প্ৰথমতে থকা ভাল অৰ্থটো বেয়ালৈ পৰিৱৰ্তিত হয় আৰু কেতিয়াবা বেয়া অৰ্থ ভাল অৰ্থলৈ ৰূপান্তৰিত হয়। প্ৰথম বিধৰ নাম অৰ্থাপকৰ্ষ আৰু দ্বিতীয়বিধৰ নাম অৰ্থোৎকৰ্ষ। উদাহৰণস্বৰূপে— সংস্কৃত 'দুহিতৃ' শব্দৰ পৰা হোৱা 'দুহিতা' শব্দটোলৈ আঙুলিয়াব পাৰি। 'দুহিতা' শব্দৰ মূল অৰ্থ আছিল 'যি দোহন কৰে'। কিন্তু তাৰ পৰা হোৱা 'জীয়াৰী' শব্দত তেনে অৰ্থ সংৰক্ষিত নহ'ল। 'পাষণ্ড' শব্দটিৰ মৌলিক অৰ্থ আছিল ধৰ্ম সম্প্ৰদায়। তাৰ পৰা হ'ল বিৰুদ্ধধৰ্মী বা